**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 03-02-2026
**Time :** 1340 HRS.

ASSAMESE MIDDAY BULLETIN

**HEADLINES**

**::::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ওড়িশাৰ যাজপুৰ জিলাৰ মা বিৰজা মন্দিৰত প্ৰাৰ্থনা জনোৱাৰ লগতে ফকীৰ মোহন বিশ্ববিদ্যালয়ৰ দ্বাদশ সমাৱৰ্তন সমাৰোহত অংশগ্ৰহণ কৰে।

২। বিৰোধী দলৰ সদস্যসকলৰ হুলস্থূলীয়া পৰিবেশৰ পৰিপ্ৰেক্ষিতত আজি লোকসভাৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰখা হয়।

৩। ভাৰত-আমেৰিকা বাণিজ্য চুক্তিৰ বাবে এন ডি এৰ সাংসদসকলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শলাগ লৈছে।

৪। কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে মহাৰাষ্ট্ৰৰ পালঘৰত দ্বিতীয়টো পাহাৰীয়া সুৰংগৰ যুগান্তকাৰী মুম্বাই-আহমেদাবাদ ৰে'ল প্ৰকল্প সম্পূৰ্ণ হোৱা বুলি ঘোষণা কৰিছে।

*আৰু*

৫। মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত আজি গুজৰাট জায়েণ্টছ্ দেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি দেশৰ ১৮টা শক্তিপীঠৰ অন্যতম ওড়িশাৰ যাজপুৰ জিলাৰ মা বিৰজা মন্দিৰত প্ৰাৰ্থনা জনায়। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে মন্দিৰ চৌহদত অৱস্থিত পবিত্ৰ নাভি গয়াত তেওঁ পূৰ্বপুৰুষসকলৰ স্মৃতিত পিণ্ডদান সম্পন্ন কৰে। ওড়িশা ভ্ৰমণসূচীৰ আজি দ্বিতীয় দিনটোত মা বিৰজা মন্দিৰ দৰ্শন কৰাৰ পাছত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে বালাছোৰৰ ফকীৰ মোহন বিশ্ববিদ্যালয়ৰ দ্বাদশ সমাৱৰ্তন সমাৰোহত অংশগ্ৰহণ কৰে।

উল্লেখযোগ্য যে ৰাষ্ট্ৰপতিগৰাকীৰ ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত আজি মা বিৰজা মন্দিৰৰ দুৱাৰ জনসাধাৰণৰ বাবে বন্ধ ৰখাৰ লগতে যাজপুৰ পৌৰসভা আৰু ইয়াৰ কাষৰীয়া এলেকাসমূহৰ সকলো বিদ্যালয় আজি দিনটোৰ বাবে বন্ধ ৰখা হয়। ৰাষ্ট্ৰপতিৰ ভ্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি আৰক্ষী বাহিনীৰ কুৰিটা প্লেট'ন মোতায়েন কৰাকে ধৰি অঞ্চলটোত কটকটীয়া নিৰাপত্তাৰ ব্যৱস্থা কৰা হয়।

০০০০০

বিৰোধী দলৰ সদস্যসকলৰ হুলস্থূলীয়া পৰিবেশৰ পৰিপ্ৰেক্ষিতত আজি লোকসভাৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰখা হয়। ইয়াৰ পূৰ্বে দিনৰ ১২ বজালৈ সদন স্থগিত ৰখা হৈছিল যদিও বিৰোধী দলৰ সদস্যসকলৰ ধাৰাবাহিক প্ৰতিবাদৰ ফলত সদনৰ কাম-কাজ ২ বজালৈ স্থগিত ৰখাৰ সিদ্ধান্ত লোৱা হয়।

আজি সদন মিলিত হোৱাৰ সময়তে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই প্ৰাক্তন সাংসদ সুৰুপসিং হিৰিয়া নায়কৰ মৃত্যুত শোক প্ৰকাশ কৰে। প্ৰয়াত নেতাগৰাকীৰ প্ৰতি সন্মান জনাই সদনত মৌনতা অৱলম্বন কৰা হয়। ইয়াৰ পাছতে অধ্যক্ষই প্ৰশ্নকালৰ আহ্বান জনায় আৰু কেন্দ্ৰীয় গৃহ ৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰায়ে চি এ পি

এফ প্ৰশিক্ষণ প্ৰতিষ্ঠান সন্দৰ্ভত এটা প্ৰশ্নৰ উত্তৰ দিবলৈ লয় যদিও বিৰোধী সদস্যসকলৰ হুলস্থূলৰ বাবে উত্তৰ আধৰুৱা হৈ ৰয়। অধ্যক্ষ ওম বিৰলাই হস্তক্ষেপ কৰি বিৰোধী সদস্যসকলৰ সদনৰ কাম-কাজ সুকলমে চলাই নিয়াত সহায় কৰিবলৈ আহ্বান জনায়। কিন্তু বিৰোধী সদস্যসকলে হুলস্থূল অব্যাহত ৰখাৰ পৰিপ্ৰেক্ষিতত দিনৰ ১২ বজালৈ লোকসভাৰ কাম-কাজ স্থগিত ৰাখিবলগীয়া হয়।

ooooo

মহাৰাষ্ট্ৰৰ পালঘৰত দ্বিতীয়টো পাহাৰীয়া সুৰংগ পথৰ তীব্ৰ গতিসম্পন্ন ৰে'লগাড়ীৰ বাবে অনুকূল যুগান্তকাৰী মুম্বাই-আহমেদাবাদ ৰে'লপথৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিছে। কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি এই কথা ঘোষণা কৰে। তেওঁ কয় যে দেশৰ অভিলাষী বুলেট ৰে'ল কৰিড'ৰৰ ক্ষেত্ৰত ই মাইলৰ খুঁটি হিচাপে বিবেচিত হৈছে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰী শ্ৰীবৈষ্ণৱে এই ৰে'ল সুৰংগ পথ নিৰ্মাণত জড়িত সমগ্ৰ দলটোৰ প্ৰশংসা কৰি কয় যে বিশ্ব ভাৰতৰ প্ৰথমটো তীব্ৰ গতিসম্পন্ন ৰে'ল প্ৰকল্পৰ সাক্ষী হৈছে। চলিত বছৰৰ ২ জানুৱাৰীত প্ৰথমটো পাহাৰীয়া সুৰংগ ৰে'লপথৰ সফলতাৰ পাছত এমাহৰ ভিতৰতে নিৰ্মাণ কৰা পালঘৰৰ এই দ্বিতীয়টো ৰে'ল সুৰংগ পথৰ কাম সম্পূৰ্ণ হৈছে।

ooooo

পঞ্জাৱৰ হুচিয়াৰপুৰত কালি নিশা সংঘটিত এটা পথ দুৰ্ঘটনাত ৪গৰাকী স্কুটাৰ আৰোহীৰ মৃত্যু হয়। আৰক্ষীৰ সূত্ৰ মতে মৃত লোককেইজনক স্কুটাৰেৰে এখন বিয়াৰ পৰা আহি থকাৰ সময়ত এখন গাড়ীয়ে মহতিয়াই নিয়াৰ ফলতেই এই দুৰ্ঘটনাটো সংঘটিত হয়। চাৰিওজন আৰোহী থিতাতে নিহত হোৱা বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে। ঘটনা সংক্ৰান্তত তদন্ত অব্যাহত আছে।

ইপিনে, উত্তৰাখণ্ডৰ ডেৰাডুনৰ কাল্‌ছি এলেকাত এখন যাত্ৰীবাহী বাছ দুৰ্ঘটনাগ্ৰস্ত হয় আৰু দ' খাৰৈত বাগৰি পৰে। বাছখনত কমেও ৩০জন যাত্ৰী থকাৰ তথ্য পোৱা গৈছে। প্ৰশাসন আৰু উদ্ধাৰকাৰী দলৰ লোক ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ আৰু সাহায্য অভিযান চলাই আছে।

ooooo

ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত সম্পাদিত শেহতীয়া বাণিজ্য চুক্তিৰ বাবে এন ডি এৰ সাংসদসকলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শলাগ লৈছে। সংসদীয় ভৱন চৌহদত আজি অনুষ্ঠিত এন ডি এৰ সংসদীয় দলৰ এখন বৈঠকত সাংসদসকলে প্ৰধানমন্ত্ৰীক ভূয়সী প্ৰশংসা কৰে বুলি সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেন ৰিজিজুৱে জানিবলৈ দিছে। বৈঠকখনৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী ৰিজিজুৱে ভাৰত-আমেৰিকাৰ এই চুক্তিক ঐতিহাসিক বুলি অভিহিত কৰাৰ লগতে ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজত মুক্ত বাণিজ্য চুক্তি সম্পাদনৰ এসপ্তাহৰ ভিতৰতে এই চুক্তিখন সম্পাদিত হোৱাটো তাৎপৰ্যপূৰ্ণ বুলি আখ্যা দিয়ে। তেওঁ লগতে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বাধীন ভাৰতবৰ্ষৰ সৈতে সমন্বয়ৰে কামকাজ কৰিবলৈ বিশ্বৰ সকলো উন্নত দেশেই আগ্ৰহ প্ৰকাশ কৰিছে। বৰ্তমানলৈ বিশ্বৰ ৩৯ খন দেশৰ সৈতে ভাৰতৰ মুক্ত বাণিজ্য চুক্তি সম্পাদিত হৈছে বুলিও তেওঁ লগতে প্ৰকাশ কৰে।

ooooo

তথ্য আৰু সম্প্ৰচাৰ দপ্তৰৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ভাৰত-আমেৰিকা বাণিজ্য চুক্তিক উভয় পক্ষৰ বাবে লাভজনক হিচাপে বিবেচিত এটা মাইলৰ খুঁটি বুলি অভিহিত কৰিছে। সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে কয়, যে শান্তি আৰু উন্নয়নৰ হকে একেলগে কাম কৰাৰ বাবে ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ উভয় দেশে বৃহৎ সম্ভাৱনাৰে পৰিপূৰ্ণ। এই চুক্তিৰ জৰিয়তে দুয়োখন দেশৰ নাগৰিকসকল আৰু

উদ্যোগসমূহ ব্যাপকহাৰত উপকৃত হ'ব বুলি মত প্ৰকাশ কৰি তেওঁ লগতে কয়, যে ইয়াৰ ফলত সমগ্ৰ বিশ্বক উপকৃত কৰিব পৰাকৈ সহযোগিতাৰে প্ৰযুক্তিৰ উদ্ভাৱন আৰু সমস্যাৰ সমাধান উলিওৱাৰ ক্ষেত্ৰত দেশ দুখন সমৰ্থ হ'ব।

ooooo

অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়ে লোকসভাত শেহতীয়াকৈ দাখিল কৰা ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেটক প্ৰশংসা কৰি এই বাজেটে দেশৰ অসামৰিক বিমান পৰিবহন খণ্ডক আত্মনিৰ্ভৰ কৰি তোলাৰ ক্ষেত্ৰত বৰঙণি যোগাব বুলি মত প্ৰকাশ কৰিছে। বিমানৰ ক্ষেত্ৰত সীমাশুল্ক ৰেহাইৰ ব্যৱস্থাই দেশীয় বিমান নিৰ্মাণ খণ্ডক বহুলভাৱে উপকৃত কৰিব বুলি মন্ত্ৰালয় মত পোষণ কৰে। আকাশবাণীৰ বাতৰি বিভাগৰ সৈতে হোৱা আচুতীয়া সাক্ষাৎকাৰত অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়ৰ সচিব সমীৰ কুমাৰ সিন্‌হাই কয়, যে বিমানৰ চোৱাচিতা, মেৰামতি আৰু সা-সঁজুলিৰ প্ৰয়োজন সাপেক্ষ সালসলনিৰ ক্ষেত্ৰত সীমাশুল্ক ৰেহাইৰ ব্যৱস্থা ২০২৮ চন পৰ্যন্ত সম্প্ৰসাৰণ কৰাটো দেশৰ বিমান নিৰ্মাণ খণ্ডক অধিক শক্তিশালী কৰি তুলিব। ইয়াৰ ফলত সা-সঁজুলিৰ মূল্য হ্ৰাস কৰাৰ লগতে দক্ষতাপূৰ্ণ কৰ্মসংস্থান সৃষ্টি কৰাকে ধৰি বিভিন্ন দিশত হ'বলগীয়া ইতিবাচক পৰিৱৰ্তনে বিশ্বৰ বিমান পৰিবহণ খণ্ডত ভাৰতৰ সামৰ্থ্য বৃদ্ধি কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

ooooo

ভাৰতৰ ৰাষ্ট্ৰীয় ষ্টক এক্সচেঞ্জ এন এছ ইৰ পৰিচালন সঞ্চালক আৰু মুখ্য কাৰ্যবাহী বিষয়া আশিস কুমাৰ চৌহানে ভাৰত-আমেৰিকা বাণিজ্য চুক্তিৰ প্ৰশংসা কৰি এই চুক্তিক উদ্ভাৱনৰ চালিকা শক্তি হিচাপে অভিহিত কৰে। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত তেওঁ চুক্তিখনক প্ৰযুক্তি, শ্ৰমিক আৰু বৈদ্যুতিন সামগ্ৰীৰ ৰপ্তানিকে ধৰি বিভিন্ন দিশৰ পৰা উভয় দেশৰ বাবে লাভজনক বুলি আখ্যা দিয়ে। শ্ৰী চৌহানে লগতে কয়, যে দেশ দুখনৰ মাজত সম্পাদিত এই চুক্তিখন উদ্যোগ, সেৱাখণ্ড আৰু তথ্য প্ৰযুক্তি খণ্ডক উপকৃত কৰাৰ উপৰি ভেনিজুৱেলাৰ পৰা তেলৰ আমদানিৰ দিশতো গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হ'ব।

ooooo

মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত আজি গুজৰাট জায়েণ্টছ দেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। বদোদৰাৰ কটাম্বীৰ বি চি এ ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত খেলখন আৰম্ভ হ'ব। এই খেলখনত বিজয়ী দলটো অহা বৃহস্পতিবাৰে হ'বলগীয়া ফাইনেল খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। স্মৃতি মান্ধানা নেতৃত্বাধীন আৰ চি বি মহিলা দলটোৱে ইতিমধ্যে লীগ পৰ্যায়ৰ শীৰ্ষস্থানত থাকি ফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰিছে। ইয়াৰ পূৰ্বে জেমিমা ৰুদ্ৰিগজৰ নেতৃত্বত দেলহী কেপিটেলছে যোৱা দেওবাৰে লীগ পৰ্যায়ৰ ফাইনেল খেলত ইউ পি ৱাৰিয়ৰ্ছক ৫ উইকেটত পৰাস্ত কৰে।

ooooo

সমাপ্ত